NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 17-11-2026
Time : 1910 Hrs.

Assamese Evening Bulletin
HEADLINES

oooooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ গঠনমূলক আৰু বিশ্বাসযোগ্য অংশীদাৰিত্ব বুলি অভিহিত কৰিছে।

২। আছিয়ানৰ নেতাসকলে অঞ্চলটোত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ বিকাশৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰসাৰৰ উদ্দেশ্যে নতুন ঘোষণাপত্ৰ গ্ৰহণ কৰিছে।

৩। অসমৰ কাৰ্বি আংলঙৰ লাংভকুত আজি সৈনিক বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হয়।

৪। দেশত চলিত বৰ্ষৰ এপ্ৰিলৰ পৰা ছেপ্তেম্বৰলৈ বৈদ্যুতিক সামগ্ৰীৰ ৰপ্তানি ৪৪ শতাংশ বৃদ্ধি পাইছে।

আৰু

৫। মহেন্দ্ৰ সিং ধোনীক চেন্নাই চুপাৰ কিংছ দলৰ মেণ্টৰ হিচাপে নিযুক্তি দিয়া হৈছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ গঠনমূলক আৰু বিশ্বাসযোগ্য অংশীদাৰিত্ব বুলি অভিহিত কৰিছে আৰু ৰাষ্ট্ৰগোষ্ঠীটোৰ চাৰিওখন সদস্যৰাষ্ট্ৰৰ মাজত সহযোগিতা সুদৃঢ় কৰাৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰিবলৈ আহ্বান জনাইছে। মানিলাত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ এখন বৈঠকত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে আজি এইদৰে আহ্বান জনায়। মানিলা চহৰ আৰু ৰাষ্ট্ৰগোষ্ঠীটোৰ মাজৰ ঐতিহাসিক সম্পৰ্কৰ বিষয়ে আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে চাৰিওখন ৰাষ্ট্ৰৰ বিষয়াসকল প্ৰথমবাৰৰ বাবে ২০০৭ চনত চহৰখনত বৈঠকত মিলিত হৈছে। তেওঁ কয় যে ২০১৭ চনত মানিলাতে কোৱাড আলোচনা পুনৰ আৰম্ভ কৰা হৈছিল। এই কাৰণতে চহৰখনত পুনৰ এবাৰ কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ বৈঠক অনুষ্ঠিত হোৱাটো গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

সদস্য-ৰাষ্ট্ৰসমূহৰ মাজত অব্যাহত উচ্চস্তৰীয় পৰ্যায়ৰ আলাপ-আলোচনাৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে যোৱা বছৰ জানুৱাৰীৰ পৰা এতিয়ালৈকে চাৰিওখন দেশৰ বিদেশ মন্ত্ৰীসকল পাঁচখন বৈঠকত মিলিত হৈছে। ইয়াৰ পৰা এই অংশীদাৰিত্বৰ প্ৰতি সদস্য-ৰাষ্ট্ৰ চাৰিখনৰ ৰাজনৈতিক ইচ্ছাশক্তি আৰু প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত হোৱা বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। কোৱাডৰ প্ৰতি ভাৰতৰ দৃষ্টিভংগীৰ বিষয়ে আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে ই এটা গঠনমূলক আৰু বিশ্বাসযোগ্য অংশীদাৰিত্ব আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বাবে ব্যৱহাৰিক সমাধানৰ অন্বেষণে ৰাষ্ট্ৰগোষ্ঠীটোৰ মূল উদ্দেশ্য।

তেওঁ কয় যে চাৰিওখন দেশৰ মাজৰ সহযোগিতাই সামুদ্ৰিক সুৰক্ষা, নিৰ্ভৰযোগ্য যোগান শৃংখলা, নতুন প্ৰযুক্তি আৰু দুৰ্যোগ ব্যৱস্থাপনাকে ধৰি বিভিন্ন ক্ষেত্ৰ সামৰি লৈছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মানিলাত অনুষ্ঠিত ২৩ সংখ্যক আছিয়ান ভাৰত শীৰ্ষ সম্মিলন আৰু ২১ সংখ্যক পূব এছিয়া শীৰ্ষ সম্মিলনত অংশগ্ৰহণ কৰাৰ আপাহতে আজি ফিলিপাইনছ, থাইলেণ্ড আৰু ছিংগাপুৰৰ নেতৃবৰ্গৰ সৈতে এলানি দ্বিপাক্ষিক আলোচনাত মিলিত হয়। ফিলিপাইনছৰ ৰাষ্ট্ৰপতি ফাৰ্ডিনাণ্ড মাৰ্কোজ জুনিয়ৰৰ সৈতে হোৱা বৈঠকত প্ৰধানমন্ত্ৰীয়ে আছিয়ান ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতাৰ দায়িত্ব সফলভাৱে সম্পূৰ্ণ কৰাৰ বাবে ফিলিপাইনছক অভিনন্দন জনায়। দুয়োগৰাকী নেতাই লগতে প্ৰযুক্তি, উদ্ভাৱন, প্ৰতিৰক্ষা, সামুদ্ৰিক সুৰক্ষা, মহাকাশ, ৰে'লৱে আৰু বিত্তীয় প্ৰযুক্তি খণ্ডত দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ বিষয়ে আলোচনা কৰে। শ্ৰীমোদী লগতে ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত

প্রধানমন্ত্রীদ্বয়ে উমৈহতীয়া কৌশলগত অংশীদাৰিত্ব সুদৃঢ় কৰা, বিশেষকৈ বিনিয়োগ, আন্তঃগাঁথনি, অর্ধপৰিবাহী, উদ্ভাৱন আৰু অত্যাধুনিক নির্মাণ আদি সন্দর্ভত আলোচনা কৰে।

থাইলেণ্ডৰ প্রধানমন্ত্রী অনুটিন চার্ণভিৰাকুলৰ সৈতে অনুষ্ঠিত বৈঠকত প্রধানমন্ত্রী মোদীয়ে ভাৰত আৰু থাইলেণ্ডৰ মাজৰ কৌশলগত অংশীদাৰিত্ব, বাণিজ্য, বিনিয়োগ, প্রতিৰক্ষা, সুৰক্ষা, যোগাযোগ, ডিজিটেল প্রযুক্তি, পর্যটন আৰু সাংস্কৃতিক বিনিময় আদি সন্দর্ভত সবিশেষ আলোচনা কৰে।

oooooooo

আছিয়ানৰ নেতাসকলে সমগ্র অঞ্চলটোত অতি ক্ষুদ্র, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ খণ্ডৰ বিকাশৰ বাবে কৃত্রিম বুদ্ধিমত্তাক প্রসাৰিত কৰাৰ উদ্দেশ্যে এখন নতুন ঘোষণাপত্র গ্রহণ কৰিছে। ক্ষুদ্র ব্যৱসায়সমূহৰ বাবে কৃত্রিম বুদ্ধিমত্তা প্রযুক্তি অধিক সহজলভ্য আৰু ব্যয়সাধ্য কৰি ডিজিটেল আন্তঃগাঁথনি সবলীকৰণ কৰি কৃত্রিম বুদ্ধিমত্তাৰ সাক্ষৰতা আৰু উদ্ভাসিত প্রযুক্তি ব্যৱহাৰৰ দায়বদ্ধতা প্রসাৰিত কৰাৰ উদ্দেশ্যে এই ঘোষণাপত্র গ্রহণ কৰা হৈছে। **একেলগ হৈ আমাৰ ভৱিষ্যতৰ দিক-নির্ধাৰণ** বিষয়বস্তুৰে ফিলিপাইনছৰ মানিলাত পৰহিৰে পৰা অনুষ্ঠিত ৪৯ সংখ্যক আছিয়ান শীর্ষ সম্মিলনত এই ঘোষণাপত্র গ্রহণ কৰা হৈছে। নতুন প্রযুক্তিসমূহ আৰু কৃত্রিম বুদ্ধিমত্তাক আঁকোৱালি লৈ ক্ষুদ্র ব্যৱসায় প্রতিষ্ঠানসমূহে সন্মুখীন হোৱা প্রত্যাহ্বানসমূহৰ মুখামুখি হোৱাৰ বাবে আঞ্চলিক পৰিকাঠামো গ্রহণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। অঞ্চলটোৰ অর্থনীতিৰ ক্ষেত্রত অতি ক্ষুদ্র, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ খণ্ডক মেৰুদণ্ড হিচাপে আছিয়ান নেতাসকলে স্বীকৃতি দিছে। আছিয়ান নেতাসকলে ক্ষুদ্র ব্যৱসায়িক প্রতিষ্ঠানসমূহৰ বাবে প্রশিক্ষণ কার্যসূচী গ্রহণ কৰাৰ লগতে প্রতিষ্ঠানসমূহৰ বাবে ব্যয়সাধ্য কৃত্রিম বুদ্ধিমত্তা সঁজুলি, ক্লাউড ছার্ভিচেছ গ্রহণ কৰাৰ পোষকতা কৰিছে।

oooooooo

কেন্দ্রীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্রী সর্বানন্দ সোণোৱালে পানামাৰ ধবজাবাহী ৰন্ধন গেছ পৰিবাহী তাৰা গেছ নামৰ জাহাজখনক হৰমুজ প্রণালীত ক্ষেপনাস্ত্রৰে আক্রমণ কৰা বুলি প্রকাশ কৰিছে। জাহাজখনত ২৪গৰাকী ভাৰতীয় লোক আছে। সামাজিক মাধ্যমৰ এটা বার্তাত শ্রীসোণোৱালে কয় যে ২৪ গৰাকী ভাৰতীয়কে ধৰি ২৫গৰাকী নাবিকক কঢ়িয়াই অনা জাহাজখনৰ আটাইকেইগৰাকী লোক নিৰাপদে আছে। তেওঁ কয় যে ভাৰতে পৰিস্থিতিৰ ওপৰত পর্যবেক্ষণ কৰি আছে আৰু লোকসকলৰ সুৰক্ষা আৰু নিৰাপত্তাৰ ক্ষেত্রত জাহাজ ব্যৱস্থাপনা কোম্পানীৰ সৈতে সম্পর্ক অব্যাহত ৰাখিছে।

oooooooo

অসম চৰকাৰৰ লোক নির্মাণ বিভাগৰ উদ্যোগত কার্বি আংলঙৰ লাংভকুত আজি সৈনিক বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হয়। অনুষ্ঠানত মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। এই সৈনিক বিদ্যালয়ত প্রশাসনিক তথা শৈক্ষিক ভৱন, প্রেক্ষাগৃহ, পুথিভঁৰাল, কেডেট মেচ, বহুমুখী প্রেক্ষাগৃহ, আভ্যন্তৰীণ ক্রীড়া প্রকল্প আদিৰ লগতে সকলো ধৰণৰ ক্রীড়াৰ সুবিধাৰ বাবে খেলপথাৰ আৰু ক'র্ট স্থাপন কৰা হ'ব। প্রায় ৩৩৫ কোটি টকা ব্যয় সাপেক্ষে এই বিদ্যালয় নির্মাণ কৰি উলিওৱা হ'ব।

ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে আজি কার্বি আংলং জিলাৰ ডিফুৰ সমীপৰ তাৰালাংছ'ত ৭০২ গৰাকী প্রার্থীক নিযুক্তি পত্র বিতৰণ কৰে। কার্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অন্তর্গত বিভিন্ন পদত এই প্রার্থীসকলক নিযুক্তি দিয়া হ'ব। এই নিযুক্তিপত্র প্রদান অনুষ্ঠানত মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই মুখ্য অতিথি হিচাপে অংশগ্রহণ কৰে। কার্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কার্যবাহী সদস্য তথা ৰংখাং বিধানসভা সমষ্টিৰ বিধায়ক ড০ তুলিৰাম ৰংহাঙো এই অনুষ্ঠানত উপস্থিত থাকে।

oooooooo

দেশত চলিত বর্ষৰ এপ্রিলৰ পৰা ছেপ্তেম্বৰলৈ বৈদ্যুতিক সামগ্রীৰ ৰপ্তানি ৪৪ শতাংশ বৃদ্ধি পাইছে। এই সময়ছোৱাত ভাৰতীয় বৈদ্যুতিক সামগ্রীৰ ৰপ্তানি ২০২৫-২৬ বর্ষৰ একেই সময়ছোৱাৰ ২ কোটি ২০ লাখ ডলাৰৰ পৰা ৩ কোটি ৩০ লাখ ডলাৰলৈ বৃদ্ধি পাইছে। ৰপ্তানিৰ ক্ষেত্রত স্মার্ট ফোনৰ অৱদান সর্বাধিক যদিও অন্য বৈদ্যুতিক সঁজুলিৰ ৰপ্তানি অধিক বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে।

oooooooo

ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন কিংবদন্তি অধিনায়ক মহেন্দ্ৰ সিং ধোনীৰ চেন্নাই চুপাৰ কিংছ দলৰ মেণ্টৰ অৰ্থাৎ পথ প্ৰদৰ্শক হিচাপে নিযুক্তি দিয়া হৈছে। ইয়াৰ লগে লগে ধোনীৰ আই পি এলৰ খেলুৰৈ জীৱনৰ অন্ত পৰে। চেন্নাই চুপাৰ কিংছৰ সহ স্বত্বাধিকাৰী ৰূপা গুৰুনাথে আজি এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে আই পি এলৰ পৰৱৰ্তী সংস্কৰণৰ বাবে খেলুৰৈসকলক পুনৰ দলত ৰখাৰ সিদ্ধান্ত ল'বলৈ কৰা এটা ফোনকলৰ সময়ত ধোনীয়ে অৱসৰ লোৱাৰ ইচ্ছা প্ৰকাশ কৰিছিল। তেওঁ কয় যে ধোনীয়ে পথ প্ৰদৰ্শক হিচাপে চেন্নাই চুপাৰ কিংছ পৰিয়ালৰ সৈতে জড়িত হৈ থাকিব। উল্লেখযোগ্য যে মহেন্দ্ৰ সিং ধোনীয়ে ২০২০ চনত আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ লৈছিল।

oooooooo

ভাৰতৰ সাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটো হংকং চুপাৰ ফাইভ হানড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডত প্ৰবেশ কৰিছে। সাত্বিকছাইৰাজ আৰু চিৰাগৰ যুটীটোৱে আজি প্ৰথম ৰাউণ্ডৰ এখন খেলত চীনা টাইপেইৰ লী ঝী হুৱেই আৰু য়াং পো-হানৰ যুটীটোক ১৫-২১, ২১-১৭ আৰু ২৮-২৬ গেমত পৰাস্ত কৰে।

oooooooo

উত্তৰাখণ্ডত সংঘটিত দুটা পৃথক দুৰ্ঘটনাত ১২ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ৩১ গৰাকী লোক আহত হয়। প্ৰথমটো দুৰ্ঘটনাত হৰিদ্বাৰৰ পৰা বদ্ৰিনাথলৈ গৈ থকা অৱস্থাত এখন যাত্ৰীবাহী বাছ আজি পুৱা তেহৰি জিলাৰ গুলাৰৰ সমীপত প্ৰায় ১০০ মিটাৰ গভীৰ খাদত পৰি যায়। এই ঘটনাত ৮ গৰাকী লোকে প্ৰাণ হেৰুৱায় আৰু ২৫ গৰাকী আহত হয়।

ৰাজ্যখনৰ ৰুদ্ৰপ্ৰয়াগ জিলাৰ ক্যুঞ্জা ভেলীত যোৱা নিশা সংঘটিত আন এটা দুৰ্ঘটনাত চাৰি গৰাকী লোকৰ মৃত্যু হয় আৰু ছগৰাকী আহত হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুৰ্ঘটনাত প্ৰাণ হেৰুওৱাসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে।

oooooooo

সমাপ্ত